Total No. of Printed Pages—4

**6 SEM TDC ASM M 3**

**2016**

( May )

ASSAMESE

( Major )

Course : 603

**( অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) বাগিন্দ্রিয় কাক বোলে? বাগিন্দ্রিয়ৰ এটা চিত্র অঙ্কন কৰি ইয়াৰ অন্তৰ্গত অঙ্গসমূহৰ চমু পৰিচয় দাঙি ধৰাঁ। ৩+৯=১২

*অথবা*

(খ) ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান বুলিলে কি বুজা? তিনিওৰে মাজত থকা সম্পৰ্ক আৰু পাৰ্থক্য বিচাৰ কৰি এটি টোকা যুগুত কৰাঁ। ৬+৬=১২

২। চমু টোকা লিখাঁ (যি কোনো দুটাৰ) : ৪+৪=৮

(ক) শাব্দিক শ্বাসাঘাত

(খ) সুৰ

(গ) সমীভৱন

(ঘ) ধ্বনি সংক্ৰমণ

৩। (ক) অসমীয়া ভাষাৰ স্বৰবৰ্ণৰ এখন তালিকা প্ৰস্তুত কৰি প্ৰতিটো বৰ্ণৰ মধ্য অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱাঁ। লগতে এই স্বৰবৰ্ণসমূহৰ প্ৰতিনিধিত্বকাৰী আখৰকেইটাও উল্লেখ কৰিবাঁ। ৫+৫+৪=১৪

*অথবা*

(খ) আলোচনা কৰাঁ : ৭+৭=১৪

(১) অসমীয়া স্বৰ-সংযুতি

(২) অসমীয়া ভাষাৰ অক্ষৰ আৰু ইয়াৰ প্ৰকাৰ

৪। (ক) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি কাক বোলে? আকৃতিৰ পৰা প্ৰাকৃতি কেনেদৰে নিৰ্ণয় কৰিবা, অসমীয়া ভাষাৰ পৰা উদাহৰণ দাঙি ধৰি বুজাই লিখাঁ। ৬+৮=১৪

*অথবা*

(খ) ৰূপতত্ত্ব বুলিলে কি বুজা? ভাষা এটাৰ ক্ষেত্ৰত ৰূপতত্ত্বই সামৰি লোৱা দিশসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৪+১০=১৪

৫। তলৰ (যি কোনো দুটাৰ) বিষয়ে আলোচনা কৰাঁ : ৭+৭=১৪

(ক) অসমীয়া ভাষাত পৰ প্ৰত্যয়ৰ যোগত শব্দ সাধন

(খ) অসমীয়া ভাষাৰ বচন নিৰ্ণয়

(গ) কাল অনুসৰি অসমীয়া ক্ৰিয়াৰ গঠন

৬। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? অসমীয়া বাক্যৰ গঠন সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ৩+৬=৯

*অথবা*

(খ) চমুকৈ লিখাঁ : ৩+৩+৩=৯

(১) উক্তি অনুসৰি বাক্যৰ প্ৰকাৰ

(২) খণ্ডবাক্য গঠনৰ নিয়ম

(৩) বাক্যৰ ৰূপগত যোগ্যতা

৭। তলৰ জটিল বাক্য দুটি সৰল বাক্যলৈ ৰূপান্তৰ কৰাঁ : ১×২=২

(ক) যেতিয়া মই ফুৰিবলৈ গৈছিলোঁ তেতিয়া বেলি লহিয়ালে।

(খ) মোৰ যিমান টকা প্ৰয়োজন হৈছিল সিমানখিনিয়েই পংকজৰ পৰা পালোঁ।

৮। চমু উত্তৰ দিয়াঁ : ১×৭=৭

(ক) অসমীয়া ভাষাৰ উষ্ম বৰ্ণ কেইটা?

(খ) 'ধুবুনী' এই ৰূপটো ভাঙি দেখুওৱাঁ।

(গ) অসমীয়া ভাষাত সুৰ আছেনে ?

(ঘ) *Assamese, Its Formation and Development* গ্ৰন্থৰ অনুবাদকজনৰ নাম লিখাঁ।

(ঙ) 'স্বৰসংগতি'ৰ এটা উদাহৰণ দিয়াঁ।

(চ) ভক্তি>ভকতি—ইয়াত ধ্বনি পৰিৱৰ্তনৰ কোনটো নিয়ম ৰক্ষিত হৈছে ?

(ছ) গ্ৰীক ভাষাত Phone মানে কি ?

★★★